## ডিজিটেল মাধ্যমত অসম সাহিত্য সভাৰ ব্যতিক্ৰমী অনুষ্ঠান

# ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় প্ৰবাসী অসমীয়াৰ অংশগ্ৰহণেৰে বিষ্ণু ৰাভা দিৱস পালন

**প্ৰতিদিন সেৱা, লংকা-যমুনামুখ, ২১ জুন ঃ** সাম্প্ৰতিক ক'ভিডকালীন ভয়াৱহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অসম সাহিত্য সভাই সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সোঁৱৰণত গুগল মিটৰ জৰিয়তে কালি ব্যতিক্ৰমী প্ৰচেষ্টাৰে এটি অনুষ্ঠানৰ আয়োজন কৰে। কালি সন্ধিয়া ৬ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানৰ আঁত ধৰে সিদ্ধাৰ্থ শংকৰ বেজবৰুৱাই আৰু কাৰিকৰী দিশটো পৰিচালনা কৰে নীল কাশ্যপে। প্ৰায় শতেক ব্যক্তিয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটোৰ আৰম্ভণিতে সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই সকলো অংশগ্ৰহণকাৰীকে আদৰণি জনায়। অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ সভাপতি দেৱেন্দ্ৰ বসুমতাৰীয়ে চমু ভাষণেৰে বিষ্ণু ৰাভাৰ স্মৃতিচাৰণ কৰে। অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই চমু উদ্বোধনী ভাষণত বিষ্ণু ৰাভাৰ মানৱপ্ৰেমৰ বিষয়ে ব্যাখ্যা কৰাৰ লগতে অসমক তেওঁ কেনেকৈ বিশ্বৰ বুকুত এটা স্থায়ী চিনাকি দিব বিচাৰিছিল সেই কথা উল্লেখ কৰে। লগতে তেওঁ বিশ্বৰ বিভিন্ন ঠাইত থকা অসমীয়াসকলৰ নতুন প্ৰজন্মৰ লগত বিষ্ণু ৰাভাৰ কৰ্ম আৰু চিন্তাৰ পৰিচয় কৰাই দিয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানটিত বিষ্ণু ৰাভাৰ ৰাজনৈতিক দৰ্শন আৰু কৰ্মপন্থা সন্দৰ্ভত প্ৰগতিশীল লেখক চিন্তাবিদ ড° পৰমানন্দ মজুমদাৰে বিশদ ব্যাখ্যা দাঙি ধৰে। আনহাতে ভাৰতীয় গণনাট্য সংঘৰ সৈতে থকা বিষ্ণু ৰাভাৰ সম্পৰ্কৰ বিষয়ে ভাৰতীয় গণনাট্য সংঘৰ অসম শাখাৰ সভাপতি শৰৎ নেওগে বিশদভাৱে বৰ্ণনা কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়োৱে বিষ্ণু ৰাভা কেনেদৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেতু হৈ পৰিছিল তাক ব্যক্ত কৰে। আনহাতে সুদূৰ লণ্ডনৰ পৰা সংযুক্ত হোৱা মনজিৰা গোস্বামীয়ে বিষ্ণু ৰাভাক নিজে লগ পোৱাৰ স্মৃতি সোঁৱৰণ কৰি বিষ্ণু ৰাভাই তেওঁক দিয়া অটʼগ্ৰাফ সকলোকে দেখুৱায়। 'যুৱ প্ৰজন্মৰ দৃষ্টিত বিষ্ণুপ্ৰসাদ ৰাভা' শীৰ্ষক বিষয়বস্তুৰ প্ৰতি আলোকপাত কৰি কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ ত্ৰিদীৱ ভাগৱতীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উল্লেখ কৰি বিষ্ণু ৰাভাৰ সামগ্ৰিক সত্তাক নতুন প্ৰজন্মৰ মাজলৈ লৈ যাবৰ বাবে ডিজিটেল মাধ্যমক গুৰুত্ব দিবলৈ অসম সাহিত্য সভাক অনুৰোধ জনায়। এই প্ৰসংগত দিল্লীৰ ৰামজাচ্ কলেজৰ ছাত্ৰ উন্মিলন কলিতা, যোৰহাট দেৱীচৰণ কলেজৰ ছাত্ৰী প্ৰণামিকা বৰায়ো বক্তব্য আগবঢ়ায়। অতি ব্যতিক্ৰমী আৰু অনন্য ৰূপত উপস্থাপন হোৱা অনুষ্ঠানটোত আমেৰিকাৰ পৰা গায়ত্ৰী শৰ্মা, দক্ষিণ কোৰিয়াৰ পৰা অভিলাশা, মুম্বাইৰ পৰা নিবেদিতা হাজৰিকা আদিয়ে বিষ্ণু ৰাভাৰ গীত পৰিবেশন কৰে। অনুষ্ঠানটিত বিশিষ্ট কণ্ঠ শিল্পী তৃষ্ণা দেৱী, শিল্পী দিলীপ দাস আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰী কৰবী শৰ্মাই গীত পৰিবেশন কৰে। তদুপৰি কৃতাঞ্জলি দত্ত আৰু অচ্যুত ঠাকুৰীয়াই কবিতা আবৃত্তি কৰে। অনুষ্ঠানৰ শেষত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ড° থানেশ্বৰ মালাকাৰে সামৰণী ভাষণেৰে অনুষ্ঠানৰ যৱনিকা পেলায়।